# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-March-2026
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
### Headlines
--------------------

১।  অসমকে ধৰি ৪ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ আসন্ন বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা।

২।  ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিৰ বাবে অহা ৯ এপ্ৰিলত এটা পৰ্যায়ত নিৰ্বাচন।

৩।  সমাগত বিধানসভা নিৰ্বাচনৰ বাবে আম  আদমী পাৰ্টিৰ প্ৰথম তথা চূড়ান্ত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ।

**আৰু**

৪। প্ৰতিকূল বতৰৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ জীপ আৰু হাতী ছাফাৰী কাইলৈৰ পৰা ১৯ মাৰ্চলৈ বন্ধ।

ooooo

অসমকে ধৰি ৪ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ আসন্ন বিধানসভা নিৰ্বাচনৰ দিন আজি ঘোষণা কৰা হৈছে। নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত এখন সংবাদমেলত মুখ্য নিৰ্বাচনী বিষয়া জ্ঞানেশ কুমাৰে কয়, যে ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিৰ বাবে অহা ৯ এপ্ৰিলত এটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰাৰ্থীসকলে অহা ২৩ মাৰ্চ পৰ্যন্ত মনোনয়ন দাখিল কৰিব পাৰিব আৰু ২৬ মাৰ্চ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। ২৮ মাৰ্চত মনোনয়নপত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ৪ মে'ত নিৰ্বাচনী ফলাফল ঘোষণা কৰা হ'ব। ৰাজ্যত এইবাৰ দুই কোটি ৫০ লাখ ভোটদাতাই তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰিব। ইয়াৰ ভিতৰত এক কোটি ২৫ লাখ পুৰুষ, এক কোটি ২৫ লাখ মহিলা আৰু ৩৪৩ জন তৃতীয় লিংগৰ ভোটদাতা আছে।

*(বাইট)*

এই সংবাদমেলতে আজি পশ্চিমবংগ, তামিলনাডু, কেৰালাম আৰু পুডুচেৰীৰ বিধানসভা নিৰ্বাচনৰ সময়সূচীও ঘোষণা কৰা হয়।  এই অনুসৰি কেৰালাম আৰু পুডুচেৰীত ৯ এপ্ৰিলত এটা পৰ্যায়তে নিৰ্বাচন অনুষ্ঠিত হ'ব। তামিলনাডুত ২৩ এপ্ৰিলত এটা পৰ্যায়তে নিৰ্বাচন অনুষ্ঠিত হ'ব। দুটা পৰ্যায়ত হ'বলগীয়া পশ্চিমবংগ বিধানসভা নিৰ্বাচৰ প্ৰথম পৰ্যায় ২৩ এপ্ৰিল আৰু দ্বিতীয় পৰ্যায় ২৯ এপ্ৰিলত অনুষ্ঠিত হ'ব।

মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে সংবাদমেলত বিশুদ্ধ ভোটাৰ তালিকা গণতন্ত্ৰৰ আধাৰ বুলি উল্লেখ কৰি কয়, যে এই উদ্দেশ্য আগত ৰাখিয়েই নিৰ্বাচন আয়োগে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণ প্ৰক্ৰিয়া চলাইছিল।

তেওঁ কয় যে প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত খোৱাপানী, প্ৰস্ৰাবগাৰ আদিৰ দৰে ন্যূনতম ব্যৱস্থাসমূহ নিশ্চিত কৰাৰ বাবে নিৰ্দেশ দিয়া হৈছে বুলি প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে নিৰ্বাচন আয়োগে শেহতীয়াকৈ নিৰ্বাচনী প্ৰক্ৰিয়া অধিক স্বচ্ছ কৰি তোলৰ বাবে ৩০ টা নতুন পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত শতাধিক এহেজাৰ ২০০ ভোটদাতাই ভোটদান কৰিব পাৰিব বুলি তেওঁ লগতে জানিবলৈ দিয়ে।

ooooo

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন দলে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। আম আদমী পাৰ্টীয়ে ১৪টা সমষ্টিৰ বাবে প্ৰথম আৰু চূড়ান্ত প্ৰাৰ্থী তালিকা ঘোষণা কৰিছে। আজি ঘোষণা কৰা এই তালিকা অনুসৰি নাওবৈচা সমষ্টিত অচ্যুৎ দাস, ডেৰগাঁৱত পুলিন গগৈ, গহপুৰত জাৰবম কুটুম, মধ্য গুৱাহাটীত অনুৰূপা ডেকাৰজা, খুমটাইত

আশিষ হাজৰিকা, শিৱসাগৰত তপন গগৈ, ৰঙানদীত টিকেন্দ্ৰ থাপা, চেঙাত জাহিদুল ইছলাম খান, ন-দুৱাৰত ৰঞ্জিত বড়ো, তিতাবৰত পল্লৱ শইকীয়া, পূৱ গোৱালপাৰাত জিন্না আমিৰ হুচেইন, ৰহাত বৰুণ বিকাশ দাস, বোকাজানত ৰেণুকা টিমুং পি আৰু বিশ্বনাথত অন্ত গগৈক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। কংগ্ৰেছে কালি নিশা দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক কে চি বেণুগোপালৰ দ্বাৰা স্বাক্ষৰিত পত্ৰখনৰ অনুসৰি কংগ্ৰেছে ২৩টা সমষ্টিত দলীয় প্ৰাৰ্থী দিয়াৰ লগতে ১৫টা সমষ্টি মিত্ৰদললৈ এৰিছে। এই তালিকা অনুসৰি গোলকগঞ্জ সমষ্টিত কাৰ্তিক চন্দ্ৰ ৰয়, বীৰছিং জাৰুৱা সমষ্টিত ৰাজেদ আলী চৌধুৰী, বিলাসীপাৰাত অমৃত বাদছা, মানকাচৰ সমষ্টিত মহিবুৰ ৰহমান, পূব গোৱালপাৰাত আবুল কালাম ৰছিদ আলম, দুধনৈত কিশোৰ কুমাৰ ব্ৰহ্ম, সৃজনগ্ৰামত নুৰুল ইছলাম, মন্দিয়াত আব্দুল খালেক, ছমৰীয়াত ৰেকিবুদ্দিন আহমেদ, ৰঙিয়াত প্ৰাণজিৎ চৌদুৰী, ডিমৰীয়াত কিশোৰ কুমাৰ বৰুৱা, নিউ গুৱাহাটী শান্তনু বৰা, মঙলদৈত ৰিজুমণি তালুকদাৰ, হোজাই জিল্লী চৌধুৰী, ঢেকীয়াজুলিত বাতাছ ওৰাং, ৰঙাপাৰাত কাৰ্তিক চন্দ্ৰ কুৰ্মী, গহপুৰত শংকৰ কুটুম, ধেমাজিত শৈলেন সোণোৱাল, তিনিচুকীয়াত ডেভিদ ফুকন, টিংখাঙত বিপুল গগৈ, দেৰগাঁৱত সাগৰিকা বৰা, ঢলাইত ধ্ৰুৱজ্যোতি পুৰকায়স্থ, দক্ষিণ কৰিমগঞ্জ সমষ্টিত আমিনুৰ ৰছিদ চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

আনহাতে কংগ্ৰেছৰ মিত্ৰদলক দিয়া সমষ্টিকেইটা হ'ল- ভৱানীপুৰ-সৰভোগ, বজালী, পলাশবাৰী, মধ্য গুৱাহাটী, গোৰেশ্বৰ, মৰিগাঁও, বঢ়মপুৰ, বিন্যাকান্দি, বিহালী, শদিয়া, ডিব্ৰুগড়, খোৱাং, সৰুপথাৰ, ডিফু আৰু আম্ৰী। ইয়াৰে ১১টা সমষ্টিত অসম জাতীয় পৰিষদ, দুটা সমষ্টিত এ পি এইচ এল চি আৰু দুখন আসন চি পি আই এম এলৰ প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব আগবঢ়াব। উল্লেখযোগ্য যে কংগ্ৰেছে ইয়াৰ পূৰ্বে ৪২টা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নামেৰে প্ৰথমখন তালিকা প্ৰকাশ কৰিছিল। কালি প্ৰকাশিত কংগ্ৰেছৰ প্ৰাৰ্থীৰ তালিকাত নাম সন্নিৱিষ্ট নোহোৱাত কংগ্ৰেছ নেতা কুশল শৰ্মাই দলৰ সকলো বিষয়বাবৰ লগতে প্ৰাথমিক সদস্য পদৰ পৰা পদত্যাগ কৰে। কংগ্ৰেছৰ বিৰুদ্ধে অসন্তুষ্টি প্ৰকাশ কৰি ইতিমধ্যে ৰাইজৰ দলে মিত্ৰতাৰ পৰা বাহিৰ হৈছে। ৰাইজৰ দলে কালিৰ দিনটোতে দুটা সমষ্টিৰ প্ৰাৰ্থীৰ নামেৰে তালিকা প্ৰকাশ কৰিছে। সেই অনুসৰি ৰাইজৰ দলৰ হৈ নাওবৈচা সমষ্টিত হৰিকান্ত দাস আৰু অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত ধেমাজি সমষ্টিত বাবুল সোণোৱালক প্ৰাৰ্থিত্ব দিয়া হৈছে।

ইপিনে কালিৰ এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰা অনুসৰি বিজেপিয়ে ১৮ মাৰ্চত বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে জনোৱা অনুসৰি বিজেপিৰ প্ৰাৰ্থীৰ তালিকাত বহুকেইখন নতুন মুখ থাকিব। বৰাকৰ ১০টা সমষ্টিত বিজেপিয়ে আৰু তিনিটা সমষ্টিত অগপই প্ৰতিদ্বন্দ্বিতা কৰিব। অগপ-বিজেপিৰ আসন বাটোৱাৰা সম্পৰ্কত কালি গুৱাহাটীত নিশা কটোৱা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে আলোচনাৰ অন্তত আজি প্ৰকাশ কৰা হ'ব বুলিও একেখন সংবাদমেলতে মুখ্যমন্ত্ৰীগৰাকীয়ে জনায়।

ooooo

ৰাজ্যত সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি অব্যাহত আছে। প্ৰিজাইডিং আৰু প্ৰথম পোলিং বিষয়াৰ প্ৰশিক্ষণ সুচাৰুৰূপে সম্পন্ন হোৱাৰ পাছত আজি দক্ষিণ শালমাৰা মানকাচৰ জিলা প্ৰশাসনৰ উদ্যোগত ৪৮৮ গৰাকী দ্বিতীয় পৰ্যায়ৰ পোলিং বিষয়াৰ বাবে নিৰ্বাচন সম্পৰ্কীয় বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হয়। জিলাখনৰ একমাত্ৰ সমষ্টিটোত স্বচ্ছ, নিকা আৰু শান্তিপূৰ্ণ ভোটগ্ৰহণ সুনিশ্চিত কৰিবলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে যোৱা ১৩ মাৰ্চৰ পৰা বিশেষ প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। কাৰ্যসূচীৰ প্ৰথম দুদিনত ৪৮৮ গৰাকীকৈ প্ৰিজাইডিং আৰু প্ৰথম পৰ্যায়ৰ পোলিং বিষয়াক ভোটগ্ৰহণৰ প্ৰশিক্ষণ প্ৰদান কৰাৰ পাছত আজি আন ৪৮৮গৰাকী দ্বিতীয় পৰ্যায়ৰ পোলিং বিষয়াক ভোটগ্ৰহণৰ প্ৰশিক্ষণ দিয়া হয়। কাৰ্যসূচীৰ চতুৰ্থ দিনা কাইলৈ ৪৮৮গৰাকী তৃতীয় পৰ্যায়ৰ পোলিং বিষয়াক প্ৰশিক্ষণ দিয়াৰ অন্তত প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণৰ অন্ত পৰিব। জিলাখনৰ মুঠ ৪০২টা ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত ১০ শতাংশ ভোটগ্ৰহণ কেন্দ্ৰ সম্পূৰ্ণ মহিলাৰ দ্বাৰা পৰিচালনা কৰা হ'ব।

ooooo

২০২৬ শৈক্ষিক বৰ্ষৰ পৰা ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে অসমৰ বুৰঞ্জী আৰু ভূগোল বিষয় দুটা ছাত্ৰ-ছাত্ৰীয়ে বাধ্যতামূলক বিষয় হিচাপে অধ্যয়ন কৰিব লাগিব। ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগৰ সচিব শ্বাহ নৱাজ চৌধুৰীয়ে এই সন্দৰ্ভত জাৰি কৰা নিৰ্দেশনা অনুসৰি বুৰঞ্জী আৰু ভূগোল বিষয় দুটা নিয়মীয়া পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত হ'ব আৰু শ্ৰেণীত এই বিষয় দুটা বাধ্যতামূলকভাৱে শিকাব লাগিব। অসমৰ চহকী সাংস্কৃতিক, সামাজিক আৰু ভাষিক পৰিচয় ত্বৰান্বিত কৰাৰ বাবে বুৰঞ্জী আৰু ভূগোল বিষয় দুটা বাধ্যতামূলক কৰা হৈছে বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে।

০০০০০

প্ৰতিকুল বতৰৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা বনাঞ্চল কাইলৈৰ পৰা ১৯ মাৰ্চলৈ জীপ আৰু হাতী ছাফাৰী বন্ধ থাকিব। আনহাতে বাগৰি বনাঞ্চলত জীপ আৰু হাতী ছাফাৰী অব্যাহত থকাৰ বিপৰীতে বুঢ়াপাহাৰ আৰু অগৰাতলি বনাঞ্চলত পৰ্যটকে জীপ ছাফাৰী কৰিব পাৰিব বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০

ডিব্ৰুগড় জিলাৰ চাবুৱাৰ শ্ৰীশ্ৰী অনিৰুদ্ধ দেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উদ্যোগত তথা ফীট ইণ্ডিয়াৰ সহযোগত আজি চান্‌ডেজ অন চাইকেল শীৰ্ষক চাইকেল ৰেলীৰ আয়োজন কৰা হয়। সমাজত স্বাস্থ্য সচেতনতা বৃদ্ধি কৰাৰ লগতে প্ৰদূষণমুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে আয়োজিত এই কাৰ্যসূচীৰ জৰিয়তে দৈনিক আধা ঘণ্টাকৈ শাৰিৰীক ব্যায়াম কৰিবলৈ সকলোকে উৎসাহিত কৰাৰ লক্ষ্য লোৱা হৈছে। ডিব্ৰুগড় জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ চৌহদত অনুষ্ঠিত এই কাৰ্যসূচীত জিলাখনৰ বিভিন্ন প্ৰান্তৰ ক্ৰীড়াপ্ৰেমীয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত ডিব্ৰুগড় চাইক্লিং ক্লাবৰ সদস্যসকলৰ লগতে বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলেও পৰম্পৰাগত নৃত্য প্ৰদৰ্শন কৰে।

০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ BCCIএ আজি নতুন দিল্লীত নমন বঁটা ২০২৬ অনুষ্ঠানৰ জৰিয়তে ভাৰতীয় ক্ৰিকেট তাৰকা তথা ক্ৰীড়া ক্ষেত্ৰখনলৈ বিশেষভাৱে অৱদান আগবঢ়োৱাসকলৰ সাফল্যৰ প্ৰতি সন্মান জনোৱা হব। এই অনুষ্ঠানতে ক্ৰিকেট কিংবদন্তি ৰোজাৰ ৱিনি আৰু ৰাহুল দ্ৰাবিদে ভাৰতীয় ক্ৰিকেটৰ প্ৰতি আগবঢ়োৱা ব্যতিক্ৰমী সেৱাৰ বাবে বিচিচিআইৰ সৰ্বোচ্চ সন্মান কৰ্ণেল চি কে নায়ুডু জীৱনজোৰা সাধনা বঁটা আগবঢ়োৱা হ'ব। ইফালে, মহিলা ক্ৰিকেটত উল্লেখযোগ্য অৱদানৰ স্বীকৃতি স্বৰূপে ভাৰতৰ প্ৰাক্তন মহিলা অধিনায়ক মিতালী ৰাজক বিচিচিআইৰ জীৱনজোৰা সাধনা বঁটাৰে সন্মানিত কৰা হ'ব। ২০২৪-২৫ বৰ্ষত ভাৰতীয় ক্ৰিকেটত আগবঢ়োৱা অৱদানৰ বাবে খেলুৱৈসকলক বিভিন্ন শিতানত আজিৰ এই অনুষ্ঠানতে সন্মান জনোৱা হ'ব।

০০০০০

সমাপ্ত